**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-JAN-2026
**Time :** 1100 Hrs

***Assamese 11 AM Bulletin***
------------------------------

০০০০০০

খুমটাই বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। এই উপলক্ষে নৰাগাঁও খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই অংশ ল'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰিব। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্বুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি টাই আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফীৰ আয়োজন কৰা হৈছে। পুলিন-পুথাওসকলৰ উপাসনাৰে তেওঁলোকৰ আশীৰ্বাদ বিচাৰি এই উৎসৱ পালন কৰা হয়।

গুৱাহাটী মহানগৰীত পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদযাপন কৰা হৈছে। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত মে-ডাম-মে-ফীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰে।  অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত লখিমপুৰ জিলা প্ৰশাসন আৰু লখিমপুৰ টাই সাংস্কৃতিক বিকাশ আৰু গৱেষণা কেন্দ্ৰৰ সহযোগত আজি উত্তৰ লখিমপুৰৰ ত্যাগ ক্ষেত্ৰত মে-ডা-মে-ফী আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত কালিৰে পৰা মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। প্ৰতিবছৰে মে-ডাম-মে-ফীৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথনৰ পৰিৱৰ্তে এইবাৰ শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত কাইলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

ধেমাজি জিলাৰ হাবুঙত যোৱা বৃহস্পতিবাৰৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজি মে-ডাম-মে-ফীৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই মে-ডাম-মে-ফী উপলক্ষে অসমবাসীক শুভকামনা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ পুলিন-পুথাওসকলৰ আশীৰ্বাদেৰে সকলোৰে পথ সদায় আলোকিত হ'ব বুলি কামনা কৰে।

০০০০০০

গুৱাহাটীৰ দিছপুৰৰ ড০ আৰ পি ৰোডত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা যুঁজাৰু ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, দিছপুৰৰ বিধায়ক অতুল বৰা, সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা উপস্থিত থাকিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰথমগৰাকী সভাপতি ছবিলাল উপাধ্যায়ে স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা পালন কৰিছিল। অসমত অসহযোগ আন্দোলনক সক্ৰিয়ভাৱে নেতৃত্ব দিয়াৰ বাবে তেওঁ প্ৰায় ছমাহ কাৰাগাৰত থাকিবলগীয়া হৈছিল।

০০০০০০

অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশন আজিৰেপৰা গুৱাহাটীত অনুষ্ঠিত হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অধিৱেশনৰ অহা ৩ ফেব্ৰুৱাৰীত সামৰণি পৰিব। আজি পুৱা মূল তোৰণ, মঞ্চ অস্থায়ী কাৰ্যালয় আৰু বিভিন্ন সমন্বয়ক্ষেত্ৰ উদ্বোধন কৰা হয়। বিয়লি ৩ বজাৰ পৰা শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ চতুৰ্থ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন অনুষ্ঠিত হ'ব। একেদৰে কাইলৈ পুৱা সভাৰ মূল পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি আৰু অসম সাহিত্য সভাৰ বিষয়ববীয়াই ১১৮ খন পতাকা উত্তোলন কৰিব। দিনৰ ১১ বজাত সভাপতিক লৈ এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১২ বজাৰ পৰা সাহিত্য উৎসৱ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কাইলৈ সভাৰ প্ৰথম মুকলি অধিৱেশন অনুষ্ঠিত হ'ব।

০০০০০০

মৰাণৰ চেপন চকলিয়াত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰখাই থোৱা ট্ৰাকত এখন চাৰিচকীয়া বাহনে আজি পুৱা খুন্দা মৰাৰ ফলত দুজন লোকৰ থিতাতে মৃত্যু হয়। মৃত লোক দুজনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহকেইটা উদ্ধাৰ কৰিছে।

০০০০০০

আজি নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত 'পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্রিকেট শৃংখলাৰ অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ৩-১ ৰ ব্যৱধানত ইতিমধ্যে শৃংখলা দখল কৰা ভাৰতে আজিৰ মূল একাদশত কেইবাগৰাকী খেলুৱৈৰ সাল-সলনিৰে সম্পৰীক্ষা কৰাৰ সম্ভাৱনা আছে। সেই অনুসৰি আজি মূল একাদশত শ্রেয়াস আয়াৰ আৰু বৰুণ চক্ৰৱৰ্তীক স্থান দিয়া হ'ব পাৰে। লগতে ধাৰাবাহিকভাৱে নিৰাশাজনক প্রদর্শন দাঙি ধৰা উইকেট কীপাৰ বেট্‌ছমেন সঞ্জু চেমচনৰ ওপৰতো আজি সকলোৰে দৃষ্টি নিবদ্ধ থাকিব। ইপিনে, কিৱি বাহিনীয়ে জয়লাভেৰে শৃংখলাৰ ব্যৱধান হ্ৰাস কৰিবলৈ আজি সৰ্বশক্তি প্ৰয়োগ কৰিব। প্ৰথম তিনিখন খেলত সহজে আত্ম সমৰ্পণ কৰিলেও চতুৰ্থ খেলখনত দলটোৱে বৃহৎ ব্যৱধানত ভাৰতক পৰাস্ত কৰিছিল।

০০০০০০

**সমাপ্ত**